জনসংযোগ, কামৰূপ মহানগৰ

প্ৰেছ বাৰ্তা নং ১০৫/২০২১

## গুৱাহাটীক বানমুক্ত কৰাৰ উদ্দেশ্যে গুৱাহাটী উন্নয়ন মন্ত্ৰীৰ গুৰুত্বপূৰ্ণ সভা

গুৱাহাটী, ২৯ মে' : বানমুক্ত গুৱাহাটী অভিযানৰ কেতবোৰ গুৰুত্বপূৰ্ণ বিষয় বিশদভাৱে আলোচনাৰ বাবে শুকুৰবাৰে সন্ধিয়া নগৰ উন্নয়ন তথা গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংঘালে কামৰূপ মহানগৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ত জিলা প্ৰশাসন তথা সংশ্লিষ্ট বিষয়াসকলৰ লগত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰে। অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব মনিন্দৰ সিং, গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ মুখ্য কাৰ্যবাহী বিষয়া উমানন্দ দলে আদি উপস্থিত থকা এই সভাত উপায়ুক্ত বিশ্বজিৎ পেগুৱে গুৱাহাটী মহানগৰৰ সাম্ভাব্য বান প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলী সভাত উপস্থাপন কৰে। গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত দেৱাশীষ শৰ্মাই পৌৰ নিগমে মহানগৰৰ নলাসমূহ পৰিস্কাৰ কৰি থকাৰ বিষয়ে অবগত কৰাৰ উপৰি পৌৰ নিগমৰ ৬ টা মণ্ডলত হাতত লোৱা ব্যৱস্থাৱলীৰ বিষয়ে উল্লেখ কৰে। সভাত অংশ গ্ৰহণ কৰি গুৱাহাটী মহানগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংঘালে বিভাগসমূহক তৎপৰ হ'বৰ বাবে আহ্বান জনায়। তেওঁ মহানগৰীৰ বিভিন্ন প্ৰান্তত থকা শ্লুইচ গেটসমূহ সক্ৰিয় কৰাৰ লগতে মহানগৰৰ মাজেৰে বৈ যোৱা নৈ-জানসমূহ শীঘ্ৰে পৰিষ্কাৰৰ ব্যৱস্থা ল'বলৈ আহ্বান জনায়। তাৰোপৰি তেওঁ পৌৰ নিগমক নলাসমূহ পৰিষ্কাৰ কৰিবৰ বাবে ধন মোকলাই দিব বুলিও প্ৰকাশ কৰে। তেওঁ পৌৰ নিগম আৰু জলসম্পদ বিভাগক পানী সিচাঁ পাম্পসমূহ সক্ৰিয় কৰি ৰাখিবৰ বাবে আৰু পাম্প চলাবলৈ ২৪ ঘণ্টাই কৰ্মচাৰী সাজু কৰি ৰাখিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে মহানগৰ আৰক্ষীক বানৰ সময়ত হাতত ল'ব পৰা বিকল্প ট্ৰেফিক পৰিকল্পনা প্ৰস্তুত কৰি ৰাখিবলৈ পৰামৰ্শ দিয়ে। ইয়াৰ উপৰি অসম বিদ্যুৎ বিতৰক কোম্পানী লিমিটেডকো তেওঁ সাম্ভাব্য বান এলেকাৰ ঘৰুৱা আৰু ৰাজহুৱা স্থানসমূহৰ বিদ্যুৎ সংযোগৰ ওপৰত চকু ৰাখিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে উপায়ুক্ত আৰু পৌৰ নিগমৰ আয়ুক্তক সাম্ভাব্য বান এলেকাসমূহ সঘনাই ভ্ৰমণ কৰি ব্যৱস্থা সমূহ তদাৰক কৰিবলৈ আহ্বান জনায়।